# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 25-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। নিয়োগ মেলাসমূহ দেশৰ যুৱ প্ৰজন্মৰ সপোন পূৰণৰ মাধ্যমৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে এন পি এছ্ আৰু ইউ পি এছৰ অন্তৰ্গত বিনিয়োগ বিকল্পৰ সম্প্ৰসাৰণত অনুমোদন দিছে।

৩। নিৰ্বাচন আয়োগে বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু চিন্থেটিক কণ্টেণ্ট দায়বদ্ধতাৰে ব্যৱহাৰকলৈ কেতবোৰ কঠোৰ নিৰ্দেশাৱলী জাৰি কৰিছে।

৪। ওড়িশা চৰকাৰে বংগোপসাগৰত অহা সোমবাৰলৈকে আহিবলগীয়া সম্ভাব্য ঘূৰ্ণীবতাহৰ পৰিপ্ৰেক্ষিতত সকলো জিলা প্ৰশাসন আৰু বিভাগসমূহলৈ বিশেষ সতৰ্কতা জাৰি কৰিছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ছিডনী ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব।

০০০০০

নিয়োগ মেলাসমূহ দেশৰ যুৱ প্ৰজন্মৰ সপোন পূৰণৰ মাধ্যমৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে কেৱল চৰকাৰী চাকৰি সৃষ্টি কৰাই নহয়, বৰং যুৱক-যুৱতীসকলক ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয়ভাৱে অৰিহণা যুগোৱাৰ বাবে সুযোগ প্ৰদান কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত সপ্তদশ ৰাষ্ট্ৰীয় নিয়োগ মেলাক উদ্দেশি দিয়া এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি এইদৰে মত ব্যক্ত কৰে। শ্ৰী মোদীয়ে নতুনকৈ নিযুক্তি লাভ কৰা যুৱচামৰ মাজত সপোন পূৰণৰ ফলত সৃষ্টি হোৱা উৎসাহ, কঠোৰ পৰিশ্ৰম কৰিব পৰা সামৰ্থ তথা আত্মনিৰ্ভৰশীলতাৰ কথা উল্লেখ কৰি কয়, যে দেশ সেৱাৰ বাবে যেতিয়া এই সকলোবোৰ শক্তি একেলগ হয় তেতিয়া তেওঁলোকৰ সফলতা ব্যক্তিগত সাফল্যৰ পৰা দেশৰ জয়লৈ পৰিণত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে নৱ নিযুক্ত প্ৰাৰ্থীসকলে সততা আৰু আন্তৰিকতাৰে কাম কৰিব আৰু তেওঁলোকে ভৱিষ্যতে দেশৰ বাবে এটা উন্নত ব্যৱস্থা গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

কালিৰ অনুষ্ঠানত নিয়োগ মেলা উদ্যমৰ অধীনত বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। শ্ৰীমোদীয়ে কয় যে অকল এই নিযুক্তি মেলাসমূহৰ জৰিয়তে ১১ লাখৰো অধিক নিযুক্তিপত্ৰ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে ৩ কোটি ৫০ লাখ যুৱক-যুৱতীক কৰ্মসংস্থানৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে বিকশিত ভাৰত যোজনা মুকলি কৰে।

ooooo

চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে ৰাষ্ট্ৰীয় পেন্সন আঁচনি, এন পি এছ্ আৰু সংহত পেন্সন আঁচনি ইউ পি এছৰ অন্তৰ্গত  এল চি ছেভেণ্টি ফাইভ আৰু বি এল চি বিনিয়োগ বিকল্পৰ সম্প্ৰসাৰণত অনুমোদন দিছে। বেচৰকাৰী গ্ৰাহকৰ বাবে থকা বিনিয়োগৰ বিকল্পৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলেও তেওঁলোকৰ বাবে দীৰ্ঘদিন ধৰি এই সুবিধাৰ দাবী কৰি আহিছে। কৰ্মচাৰীসকলে যাতে অৱসৰকালীন পৰিকল্পনা কৰাত স্বাচ্ছ্যন্দ অনুভৱ কৰে আৰু বিচৰা ধৰণে বিনিয়োগ কৰিবলৈ বিকল্প সুবিধা লাভ কৰিব পাৰে সেই উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এন পি এছ্ আৰু ইউ পি এছৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলে এতিয়া বিনিয়োগৰ বিকল্প সুবিধাসমূহ নিৰ্বাচন কৰিব পাৰিব। এই সিদ্ধান্তই কৰ্মচাৰীসকলক বিনিয়োগৰ বিকল্প নিৰ্বাচনৰ সুবিধা প্ৰদান কৰাৰ উপৰি পৰিকল্প ৰূপায়ণৰ ক্ষেত্ৰত সঠিক নিৰ্দেশনা প্ৰদান কৰিব।

ooooo

ভাৰতীয় নিৰ্বাচন আয়োগে বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু চিন্থেটিক কণ্টেণ্ট দায়বদ্ধতাৰে ব্যৱহাৰকলৈ কেতবোৰ কঠোৰ নিৰ্দেশাৱলী জাৰি কৰিছে। আয়োগে ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু প্ৰচাৰ প্ৰতিনিধিসকলক প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা যিকোনো ধৰণৰ কৃত্ৰিমভাৱে সৃষ্টি কৰা বা এ আইৰ দ্বাৰা নিৰ্মাণ কৰা ছবি, অডিঅ' আৰু ভিডিঅ'সমূহ এ আই জেনেৰেটেড, ডিজিটেলি বিকশিত বা ছিন্থেটিক কণ্টেণ্ট হিচাপে চিহ্নিত কৰিব লাগিব। এই ছবি, অডিঅ' আৰু ভিডিঅ'সমূহ জনসাধাৰণৰ দৃষ্টিগোচৰ হোৱা ক্ষেত্ৰৰ পৰা কমেও ১০ শতাংশ সামৰি ল'ব লাগিব। আয়োগে লগতে কোনো লোকৰ বিনা অনুমতিত  তেওঁলোকৰ পৰিচয় বা কণ্ঠ ভুলকৈ উপস্থাপন কৰা আৰু যিকোনো ধৰণৰ বেআইনী বিষয় প্ৰচাৰ বা শ্বেয়াৰ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। আয়োগে এনে ধৰণৰ যিকোনো বিষয় আঁতৰাই দিয়াৰ বাবে ৰাজনৈতিক দলসমূহক তিনি ঘণ্টাৰ সময়ো ধাৰ্য কৰি দিছে।

ooooo

ওড়িশা চৰকাৰে বংগোপসাগৰত অহা সোমবাৰলৈকে আহিবলগীয়া সম্ভাব্য ঘূৰ্ণীবতাহৰ পৰিপ্ৰেক্ষিতত সকলো জিলা প্ৰশাসন আৰু বিভাগসমূহলৈ বিশেষ সতৰ্কতা জাৰি কৰিছে। ওড়িশাৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী সুৰেশ পূজাৰীয়ে প্ৰকাশ কৰা মতে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যাপ্ত পৰিমাণৰ সাহায্য সামগ্ৰী মজুত কৰি ৰখা হৈছে আৰু সকলো জিলা আয়ুক্তক সতৰ্ক কৰি দিয়া হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দক্ষিণ-পশ্চিম বংগোপ সাগৰৰ ওপৰত নিম্ন চাপৰ ক্ষেত্ৰসমূহ আজি পশ্চিম-উত্তৰ-পশ্চিমৰ দিশে আগবাঢ়ি দক্ষিণ-পূব আৰু মধ্য বংগোপসাগৰৰ ওপৰত নিম্ন চাপৰ ক্ষেত্ৰলৈ পৰিণত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। কাইলৈ এই চাপ উচ্চ চাপলৈ বৃদ্ধি পাব আৰু সোমবাৰলৈকে দক্ষিণ-পশ্চিম আৰু পশ্চিম-মধ্য বংগোপসাগৰত ঘূৰ্ণীবতাহলৈ পৰিণত হ'ব। বতৰ বিজ্ঞান বিভাগে সোমবাৰৰ পৰা তিনি দিনলৈ ৰাজ্যখনৰ বিভিন্ন জিলাত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

ooooo

পৰিসংখ্যা আৰু ৰূপায়ণ মন্ত্ৰালয়ে ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠান বিধেয়ক ২০২৫ৰ খচৰা সন্দৰ্ভত মতামত আৰু পৰামৰ্শ দাখিলৰ সময়সীমা বৃদ্ধি কৰিছে। জনসাধাৰণে অহা তিনি নৱেম্বৰ পৰ্যন্ত নিজৰ মতামত আৰু পৰামৰ্শ

মন্ত্ৰ্যালয়লৈ নিৰ্দিষ্ট ৱেবছাইটত প্ৰেৰণ কৰিব পাৰিব। পৰামৰ্শসমূহ ই-মেইল যোগেও প্ৰেৰণৰ সুবিধা আছে। এই খচৰা বিধেয়কখনৰ লক্ষ্য হৈছে ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠানক পঞ্জীয়নভুক্ত সংস্থাৰ পৰা বিধিগত সংস্থালৈ ৰূপান্তৰ কৰি প্ৰতিষ্ঠানিক মৰ্যাদালৈ উন্নীত কৰা।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে জি এছ্ টি ব্যৱস্থাৰ পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰে কৰ আৰোপন প্ৰণালীক অধিক দক্ষ, যুক্তিসংগত আৰু বিকাশমুখী কৰি তোলা বুলি মন্তব্য কৰিছে। নিয়মিত কৰদাতাসকলৰ বাবে জীৱন সহজলভ্য কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমণে কালি গাজিয়াবাদত কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ ভৱন উন্মোচন কৰি দক্ষ কৰ প্ৰণালীয়ে অৰ্থনৈতিক সন্মিলন আৰু অধিক সমৃদ্ধশালী কৰিব বুলিও উল্লেখ কৰে। জি এছ্ টি পৰিষদে জি এছ্ টিৰ পঞ্জীয়ন প্ৰক্ৰিয়া সহজ, নিৰৱিচ্ছিন্ন আৰু অধিক স্বচ্ছ কৰি তুলিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অহা মাহৰ ১ তাৰিখৰ পৰা এই সহজ জি এছ্ টি পঞ্জীয়ন আঁচনি কাৰ্যকৰী হ'ব। তেওঁ লগতে কয়, যে যিসকল আবেদনকাৰীৰ মাহিলী কৰৰ দেনা-পাওনা আঢ়ৈ লাখ টকাৰ সীমা অতিক্ৰম নহয় তেওঁলোকৰ স্বয়ংক্ৰিয় পঞ্জীয়ন কৰ্মদিনৰ তিনি দিনৰ ভিতৰত অনুমোদিত কৰা হ'ব। এই পদ্ধতিয়ে ৯৬ শতাংশ নতুন আবেদনকাৰীক লাভান্বিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে। কৰদাতাসকলৰ বাবে সময় মতে আৰু মানসম্পন্ন সেৱা প্ৰদান কৰিবলৈ জি এছ্ টি সেৱা কেন্দ্ৰসমূহ সহজলভ্য আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰীৰে সুন্দৰভাৱে পৰিচালতি হ'ব বুলিও তেওঁ লগতে আশ্বাস প্ৰদান কৰে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ছিডনী ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৯ বজাত আৰম্ভ হ'ব। যোৱা বৃহস্পতিবাৰে এডিলেইডত ভাৰত দুটা উইকেটত পৰাস্ত হোৱাৰ পাছত ঘৰুৱা দল অষ্ট্ৰেলিয়াই সম্প্ৰতি ২-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত